# নগাঁৱৰ ন্যায়িক আদালতৰ অতীত আৰু বৰ্তমান ঃ এক চমু আভাস

নগাঁৱৰ ন্যায়ালয়, ন্যায় বিচাৰৰ আৰু ইয়াৰ লগত জড়িত পক্ষৰ বিষয়ে লিখিবলৈ লওতে এই লেখাটোত দুভাগত ভগাই লিখাৰ প্ৰয়াস কৰা হৈছে ঃ প্ৰথম ভাগত ইয়াণ্ডাবু সন্ধি পৰা ১৯৬৭ চনলৈ আৰু দ্বিতীয় ভাগত ১৯৬৭ চনৰ আগষ্ট মাহৰ পৰা বৰ্তমানলৈ

**প্ৰথম ভাগ ঃ**

অসমৰ পুৰণি আৰু ঐতিহ্য মণ্ডিত জিলাৰ ভিতৰত নগাঁৱৰ এক বিশেষ স্থান আছে। আদিতে নগাঁৱৰ বিচাৰ ব্যৱস্থা অনানুষ্ঠানিক আছিল। ইংৰাজ অহাৰ আগতে স্থানীয় মানুহেই নিজৰ ভিতৰতেই মেল পাতি বিচাৰ কৰি সমস্যাবোৰৰ সমাধান কৰিছিল। বিশেষকৈ ১৮২৬ খ্ৰীঃৰ ২৪ ফেব্ৰুৱাৰীত ইয়াণ্ডাবু সন্ধিৰ পিছতেই ডেভিদ স্কটে নৰ্থ ফণ্টিয়াৰৰ এজেণ্ট হিচাপে নগাঁও জিলাৰ শাসনজৰী হাতত লৈ সহকাৰী আদাম হোৱাইটৰ সহযোগত দেৱানী ও অন্যান্য সৰু-সুৰা গোচৰবোৰ বিচাৰৰ দায়িত্ব গ্ৰহণ কৰে আৰু পিছলৈ গুৱাহাটীত তিনিখন পঞ্চায়ত “নেটিভ কৰ্ট” স্থাপন কৰে। স্থানীয় আইন বিধিৰ জৰিয়তে তেতিয়া বিচাৰ ব্যৱস্থা চলোৱা হৈছিল। ১৮৩২ চনৰ পিছত ডেভিদ স্কটৰ উত্তৰসুৰী ৰবাৰ্টচনৰ পৰামৰ্শ মতেই অসমক গোৱালপাৰা, কামৰূপ, দৰং আৰু নগাঁও এই চাৰিখন জিলাত ভাগ কৰে। নগাঁও জিলাৰ প্ৰিঞ্চিপাল এচিষ্টেণ্ট ৰুডাৰ্ফডে ১৮৩৩ চনৰ পুৰণিগুদামত নগাঁও জিলাৰ সদৰ ঠাই পাতে। পিছলৈ ১৮৩৫ চনত উক্ত সদৰ ঠাই স্থানান্তৰ কৰি ৰঙাগড়াত স্থাপন কৰে যদিও তাতো যাতায়তৰ অসুবিধা আৰু অস্বাস্থ্যকৰ পৰিবেশক দোহাই দি ১৮৩৯ খ্ৰীঃত সদৰ ঠাই বৰ্তমানৰ স্থানলৈ আনে আৰু সেই খ্ৰীষ্টাব্দতে নগাঁৱত ডেপুটি কমিচনাৰ পদ সৃষ্টি কৰি ডেপুটি কমিচনাৰ নিযুক্তি দিয়ে। পূৰ্ণাংগ জিলা গঠন হোৱাৰ পৰাই নগাঁৱত ওকালতিৰ ইতিহাস আৰম্ভ হয়। নগাঁও জিলাত ডেপুটি কমিচনাৰ মকৰল কৰাৰ বছৰতে শাসন ব্যৱস্থাৰ সুবিধাৰ্থে আদালত ভৱন, সাধাৰণ ভাষাত “কাছাৰী ঘৰ” প্ৰতিষ্ঠা কৰা হয়। এই কাছাৰী ঘৰটো খেৰীচালৰ যদিও বেৰবোৰ পকী আছিল। এই মূল ঘৰটোতে জিলাৰ ডেপুটি কমিচনাৰকে আৰম্ভ কৰি আটাইবোৰ আদালত বহিছিল। সেই সময়ৰ পৰাই উকীল সকলৰ আদালতত পক্ষ সমৰ্থন কৰিব পৰা ব্যৱস্থাৰ আৰম্ভণি হৈছিল। জিলা খনৰ দায়িত্বত থকা ডেপুটি কমিচনাৰেই জিলা আৰু সত্ৰ আদালতৰ ক্ষমতা লাভ কৰিছিল অৰ্থাৎ কালেক্টৰৰ উপৰি তেওঁ দেৱানী ন্যায়ধীশ আছিল। Mill Report on Assam – 123-124 আৰু BRL, 1850, 28th August No. 20-22 ত উক্ত সময়ৰ বিচাৰ ব্যৱস্থা আৰু ক্ষেত্ৰঅধিকাৰ (Jurisdiction) সম্পৰ্কে বিশদ বৰ্ণনা পোৱা যায়। এই প্ৰতিবেদন অনুসৰি ১৮৫০ চনলৈকে নগাঁও জিলাত চাৰিটা গোচৰতহে সিদ্ধান্ত হৈছিল। নহেজাৰ বৰ্গ মাইলজোৰা বিস্তৃত নগাঁও জিলাত তেতিয়াৰ থানাৰ সংখ্যা আছিল তিনিখনহে— নগাঁও, জাগী, হোচাংহাজো। চাৰিসীমাৰ ব্যাপ্তি অনুসৰি থানাৰ সংখ্যা কম হোৱাত কিছুমান ঠাইত দেৱানী আৰু ফৌজদাৰী গোচৰ সমূহ বিচাৰ কৰিবলৈ বিচাৰক নিযুক্তি দিছিল। নগাঁও সদৰ ঠাইৰ পাৰ্শ্বৱৰ্ত্তী উৰিয়াগাঁৱৰ ভূৱাই হাজৰিকা এনেধৰণৰ প্ৰথম বিচাৰক আছিল। ১৮৩৯ চনৰ আগলৈকে গুৱাহাটীৰ উকীল সকলৰ দ্বাৰাই আইন সম্পৰ্কীয় কাম-কাজবোৰ চলিছিল। নগাঁও জিলাৰ কাছাৰী ঘৰৰ অৱস্থান সম্পৰ্কে কলিয়াবৰ গোবিন্দ ৰাম ভূএগ্রাই, তেওঁৰ নগাঁও জিলা বৰ্ণনা ‘অৰুনোদই’ত ১৮৫৭ চনত এইদৰে দিছে ঃ

*“আচে চাৰি টুপে এক গ্ৰিহ মনোহৰ, / তাৰ মধ্যে হোত্ৰ জানা বিচাৰ সবৰ।*
*বহে প্ৰধান বিচাৰ পতি টুপে পচিমৰ, / উতৰৰ টুপে বহে জানা জুনিয়ৰ।*
*পুব টুপে মুনসেফ সদৰ আমিন আৰ, / সবাষ্টেণ্ট বহে তাতে টুপে দখিনৰ।*
*এহি সব বিচাৰ পতি বহি চাৰি টুপে, / কৰন্ত বিচাৰ জানো সাৰহিত ৰূপে।*
*দেওৱানি ফৌজদাৰি আৰু কালেকট্ৰৰি, / লিখা পৰ্হা কৰে সবে তিনিভাগ কৰি।*
*বৰ বৰ পাঙ্খা সব আৰি ওপৰত, / বিচিয়া থাকন্ত জানা উষ্ণ কালত।।*

১৮৫৮ চনৰ ১৯ নবেম্বৰ তাৰিখে কাছাৰীৰ বাকৰিতে মহাৰাণী ভিক্টোৰিয়াৰ শাসনভাৰ গ্ৰহণৰ উপলক্ষে উৎসৱ উদ্‌যাপিত হৈছিল। ১৮৬৮ খ্ৰীঃত অসমতো ভাৰতীয় দণ্ডবিধি আইন, তাৰো আগত ১৮৬২ চনত ফৌজদাৰী কাৰ্যবিধি আইন আৰু পিছলৈ ১৮৭২ খ্ৰীঃত এভিডেঞ্চ এক্ট প্ৰযোজ্য হয়। সেই সময়ত মৈমন সিং জিলাৰ পৰা অহা ৰামদূৰ্লভ মজুমদাৰেই প্ৰথম ইংৰাজী জনা আইনৰ স্নাতক আছিল আনহাতে ৰায়বাহাদুৰ, বিষ্ণুৰাম বৰা প্ৰথমজন আইনৰ স্নাতকধাৰী উকীল।

১৮৬৭ চনত নগাঁৱৰ মুন্সিফ কাছাৰী ঘৰ পৃথককৈ নিৰ্মাণ কৰা হয়। ১৮৭১ চনৰ ৩১ জানুৱাৰীত গুনাভিৰাম বৰুৱাই গোৱালপাৰাৰ পৰা বদলি হৈ আহি নগাঁৱত অতিৰিক্ত সহকাৰী আয়ুক্ত (Extra Assistant Commissioner) হিচাপে যোগদান কৰে আৰু জন কেম্বেল চাহাবৰ স্থলত প্ৰথম শ্ৰেণীৰ চাব মেজিষ্ট্ৰিটৰ ক্ষমতা পায়। সেই বৰ্ষত তেওঁ মুঠ ৩০৬ টা গোচৰ নিষ্পত্তি কৰে, য'ত মুঠ ৪৪৯ লোক জড়িত আছিল। তাৰ ভিতৰত ৩১৬ জনক দোষী

সাব্যস্ত কৰাৰ বিপৰীতে ৩৩ টা গোচৰৰ আপীল হৈছিল। সেই সময়ৰ পূৰ্বতেই অসমত বাৰ লাইব্ৰেৰী স্থাপনৰ যোজা চলিছিল। সাহিত্যিক গৱেষক ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞাই এই সম্পৰ্কত উনুকিয়াই গৈছে। ১৮৭৩ চনৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে নগাঁৱৰ দেৱানী আদালতৰ চিৰস্তাদাৰ ৰুদ্ৰৰাম দাসৰ নামত প্ৰচাৰিত এখন বিজ্ঞপ্তিয়ে সেই কথাৰ সাক্ষ্য প্ৰদান কৰে। ১৮৭৯ চনত The Legal Practitioners Act গৃহীত হয় আৰু এই আইনৰ ৭ম ধাৰাত উকালতি অনুজ্ঞা পত্ৰ নবীকৰণৰ বিশেষ দিহা আছে। উক্ত অনুজ্ঞা পত্ৰ সমূহ জিলা ন্যায়াধীশে প্ৰদান কৰিছিল। ১৮৪৫ চন মানতে উকীল সকল বহা ঘৰটো সজা হৈছিল পিছলৈ ১৯২৫ চনত পূৰ্বৰ ঘৰটো ভাঙি টিঙৰ চালি দি নতুনকৈ ঘৰটো সজা হৈছিল আৰু কাম-কাজৰ সুবিধাৰ্থে এই ভৱনৰ দক্ষিণ দিশত এটি তৰণী গৃহও সাজি দিয়া হৈছিল। ড° বিৰিঞ্চি কুমাৰ বৰুৱাই চাব মেজিষ্ট্ৰেট হিচাপে যোগদান কৰা সময়ত নগাঁওৰ উকীলৰ সংখ্যা তেনেই তাকৰ আছিল। তাৰে কেইজনমানে বিজ্ঞ অধিবক্তা Subordinate Judge ৰ আদালতত ওকালতি কৰাৰ বিপৰীতে তিনিজন মানে মুন্সিফ আদালতত ওকালতি কৰিছিল। নগাঁৱৰ ন্যায়িক ব্যৱস্থাৰ অন্যতম অংগ নগাঁও বাৰ এচ'ছিয়েচনৰো এক সুনিৰ্দিষ্ট গৌৰৱময় ইতিহাস আছে। এই উকীল সন্থাৰ বহু সদস্যই স্বাধীনতাৰ পূৰ্বৰ পৰাই অসমৰ বৌদ্ধিক, ৰাজনৈতিক আৰু সামাজিক ধাৰাৰ সুঁতিটোত নিজৰ অস্তিত্ব উজ্বল ৰূপত দাঙি ধৰিছিল।

**দ্বিতীয় ভাগ ঃ**

এইদৰে নগাঁৱৰ আনুষ্ঠানিক আইন ব্যৱস্থাই ১০০ বছৰতকৈ অধিক কাল অতিক্ৰম কৰাৰ পিছত মাননীয় অসমৰ উচ্চ ন্যায়ালয়ৰ প্ৰধান বিচাৰপতি চি. এচ. নাইডুৰ চেষ্টাত ১৯৬৭ চনৰ আগষ্ট মাহত অসম চৰকাৰৰ উদ্যোগত কাৰ্যপালিকা ও ন্যায়পালিকা সম্পূৰ্ণৰূপে পৃথক কৰা হয়। ফলত জিলাই প্ৰতি জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত প্ৰৱৰ্ত্তন কৰাত নগাঁৱতো এজনকৈ জিলা ও সত্ৰ ন্যায়াধীশ, সহকাৰী জিলা আৰু সত্ৰ ন্যায়াধীশ, মুন্সিফৰ নিযুক্তি হয়। ১৯৬৭ চনৰ আগষ্ট মাহৰ ১২ তাৰিখত নগাঁৱত শ্ৰী ভোলাৰাম দাসদেৱে প্ৰথম জিলা আৰু সত্ৰ ন্যায়াধীশ হিচাবে কৰ্তব্যত যোগদান কৰে। অসম উচ্চ ন্যায়ালয় প্ৰতিষ্ঠা হোৱাৰ পিচত কলিকতা উচ্চ ন্যায়ালয়ৰ এক্তিয়াৰ ৰদ হয় ও অসম উচ্চ ন্যায়ালয়ৰ ক্ষমতা বলবৎ হয়। ১৯৭৪ চনৰ ৩০ জুলাই তাৰিখে ফৌজদাৰী বিষয়ৰ গোচৰসমূহ স্বতন্ত্ৰ ভাৱে বিচাৰ কৰিবলৈ মুখ্য ন্যায়িক দণ্ডাধীশ আদালত স্থাপন কৰা হয় আৰু এই আদালতৰ প্ৰথম মুখ্য ন্যায়িক দণ্ডাধীশ আছিল শ্ৰী আব্দুল মজিদ মহোদয়। আৰম্ভণিতে জিলা আৰু সত্ৰ ন্যায়াধীশ কাৰ্যালয়ৰ চিৰস্তাদাৰ আৰু মুখ্য ন্যায়িক দণ্ডাধীশ কাৰ্যালয়ৰ মুখ্য সহায়ক পদত ক্ৰমে জগত চন্দ্ৰ হাজৰিকা আৰু কিৰণ চন্দ্ৰ ভট্টাচাৰ্য ডাঙৰীয়াদ্বয় অধিষ্ঠিত হৈছিল।

ইয়াৰ পিছত মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উদ্যোগত আৰু নগাঁও জিলাৰ ন্যায়িক আদালতৰ সহযোগত তলত দিয়া জিলা আদালত আৰু মহকুমা আদলত স্থাপন কৰি নিৰ্দিষ্ট এলেকাধীন গোচৰ সমূহ স্থানান্তৰ কৰা হয়।

১) ১৯৭২ চনত মৰিগাঁৱত দণ্ডাধীশ পৰ্যায়ৰ, ২) ১৯৮৭ চনত মহকুমা পৰ্যায়ৰ আৰু ৩) ১৯৯২ চনত জিলা পৰ্যায়ৰ আদালত স্থাপন কৰা হয়। ৪) ২০/১০/১৯৮২ তাৰিখত হোজাইত প্ৰথম শ্ৰেণীৰ দণ্ডাধীশ, ৫) ২৯/০৬/১৯৮৪ তাৰিখে মহকুমা ন্যায়িক দণ্ডাধীশ আৰু ৬) ০৬/০৩/২০২১ তাৰিখে জিলা ন্যায়াধীশ আৰু মুখ্য ন্যায়ধীশৰ আদালত স্থাপন কৰা হয়। ৭) ২২/০৩/১৯৯৬ তাৰিখে কলিয়াবৰ মহকুমাৰ ন্যায়িক দণ্ডাধীশ আৰু মুন্সিফ আদালত স্থাপন কৰা হয়। ৮) অসমৰ আন জিলাৰ লগতে নগাঁৱতো ২০০১ চনত ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩৭৬ অধীনৰ মোকৰ্দমাবোৰ খৰতকীয়াকৈ মীমাংশা কৰিবৰ বাবে তদৰ্থ (Ad-hoc) ভিত্তিত অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত ক্ৰমে নগাঁও সদৰ আৰু হোজাই মহকুমাত স্থাপন কৰা হয়। পিছলৈ "তদৰ্থ" শব্দৰ ঠাইত "দ্ৰুত গতিৰ আদালত" (Fast Track Court) নামেৰে নামাকৰণ কৰা হয়। ৯) ২০/০১/২০২০ তাৰিখৰ পৰা শিশু সকলক যৌন অপৰাধৰ পৰা সুৰক্ষা দিয়াৰ গোচৰ সমূহ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ নং-১ৰ দ্বাৰা সুকীয়াকৈ বিচাৰ আৰম্ভ কৰা হয় আৰু ১০) ২৮/১০/২০২১ তাৰিখে এগৰাকী অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা বিশেষ ন্যায়াধীশ (Additional Sessions Judge cum Special Judge of Protection of Children from Sexual Offence, POCSO) হিচাবে যোগদান কৰাত নগাঁৱত শিশু সকলৰ বিৰুদ্ধে যৌন সুৰক্ষাৰ বিশেষ আদালত স্থাপন হয়। এই আদালতৰ লগত ৰজিতা খোৱাই সাক্ষীৰ উদ্দেশ্যে অহা শিশুসকলক খেলা-ধুলাৰ মাজেদি সাক্ষী দিয়াৰ ব্যৱস্থা কৰা হৈছে। বৰ্তমান মাননীয় জিলা ন্যায়াধীশ শ্ৰীযুত ৰক্তিম দুৱৰা মহোদয়ৰ তত্বাৱধান আৰু নগাঁৱৰ শিশু সুৰক্ষা বিষয়া (Child Protection Officer)ৰ সহযোগত এক উন্নতমানৰ শিশু কক্ষ (Children's Room) সজোৱা হৈছে। যোৱা ইংৰাজী ১৪/০৫/২০২২ তাৰিখে এই কক্ষৰ শুভ উদ্বোধন কৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মাননীয় ন্যায়াধীশ সুমন শ্যাম মহোদয়ে। ক্ৰমান্বয়ে যোৱা ইংৰাজী ১৫/০৯/২০২২ তাৰিখে "অশক্ত সাক্ষীৰ সাক্ষ্য গ্ৰহণ কেন্দ্ৰ" (Vulnerable Witness Deposition Centre) দুৱাৰ মুকলি কৰে গুৱাহাটী উচ্চ

ন্যায়ালয়ৰ মাননীয় ন্যায়াধীশ অচিন্ত্য মল্ল বুজৰবৰুৱা মহোদয়ে।

নগাঁও আৰু কাৰ্বি আংলং জিলাৰ মটৰ দুৰ্ঘটনা জনিত বিচাৰবোৰ নগাঁৱৰ জিলা ন্যায়াধীশ মহোদয়ে জিলা ন্যায়াধীশ ও মটৰ দুৰ্ঘটনা দাবী নিষ্পত্তি ন্যায়াধীকৰণৰ সদস্য (Member MACT) হিচাবে গোচৰ নিষ্পত্তি কৰিছিল। বৰ্তমান (২৭/০৭/২০১১ তাৰিখৰ পৰা) উক্ত ধৰণৰ গোচৰসমূহ নিষ্পত্তিৰ বাবে সুকীয়া ন্যায়াধীকৰণ আছে আৰু এই ন্যায়াধীকৰণত অসম ন্যায়িকৰ সেৱাৰ প্ৰথম স্তৰ (Grade-I Judicial Officer) ৰ ন্যায়িক বিষয়া অধিষ্ঠিত হৈছে।

উল্লেখ্য যে কাৰ্বি-আংলং জিলা গঠন হোৱাৰ পূৰ্বতে নগাঁৱৰ পৰা প্ৰথম স্তৰ (Grade-I)ৰ ন্যায়িক বিষয়া (প্ৰয়োজনীয় কৰ্মচাৰীসহ) কাৰ্বি-আংলংৰ সদৰ চহৰ ডিফুত “আৱৰ্ত আদালত” (Circuit Court) পাতি গোচৰ নিষ্পত্তি কৰিছিল। পিছলৈ জিলাৰ উপায়ুক্তৰ দ্বাৰা গোচৰ নিষ্পত্তি কৰিবলৈ ল’লে। মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উদ্যোগত আৰু নগাঁৱৰ জিলা ন্যায়াধীশৰ ব্যৱস্থাপনাত ইংৰাজী ১২/০৮/২০১৭ তাৰিখে কাৰ্বি আংলং জিলাৰ বাবে সুকীয়াকৈ ন্যায়িক আদালত স্থাপন কৰা হয়।

পশ্চিম কাৰ্বি আংলং জিলাৰ হামৰেণত ইংৰাজী ০৭/০৯/২০১৯ তাৰিখে অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ আৰু মুন্সিফ তথা প্ৰথম শ্ৰেণীৰ ন্যায়িক বিষয়াৰ আদালত উদ্বোধন কৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মাননীয় ন্যায়াধীশ শ্ৰীযুত হিতেশ শৰ্মা মহোদয়ৰ উপস্থিতিত মাননীয় জ্যেষ্ঠ ন্যায়াধীশ শ্ৰীযুত এন. কোটেশ্বৰ সিং মহোদয়ে। আৰু যোৱা ইংৰাজী ১৫/০৯/২০২২ তাৰিখে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মাননীয় ন্যায়াধীশ শ্ৰীমতী মালাশ্ৰী নন্দী মহোদয়াৰ উপস্থিতিত মাননীয় ন্যায়াধীশ অচিন্ত্য মল্ল বুজৰবৰুৱা মহোদয়ে জিলা ন্যায়াধীশ আদালত উদ্বোধন কৰে। উপৰোক্ত সময় চোৱাত নগাঁৱৰ এজন অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ সপ্তাহত এদিন “কাম চলাব” (Stop gap)ৰ বাবে দায়িত্ব দিয়া হৈছিল।

জিলা আৰু সত্ৰ ন্যায়াধীশক সভাপতি হিচাবে আৰু দেৱানী ন্যায়াধীশ তথা সহকাৰী সত্ৰ ন্যায়াধীশক সম্পাদক হিচাবে “Assam State Legal Services Authority Act, 1987 ৰ অধীনত লোক আদালত ও স্থায়ী লোক আদালতৰ আয়োজন কৰি যথেষ্ট সংখ্যক গোচৰ নিষ্পত্তি কৰাৰ বাহিৰেও বিভিন্ন ঠাইত আইন সজাগতা শিবিৰ পাতি ৰাইজক আইনৰ বিষয়ত সজাগ কৰি অহা হৈছে। অৱশ্যে বৰ্তমান দেৱানী ন্যায়াধীশৰ ঠাইত এগৰাকী ন্যায়িক বিষয়াক সচিব পদত সুকীয়াকৈ নিযুক্তি দিয়া হৈছে। অতি সোনকালে আইনী সাহাৰ্য প্ৰতিৰক্ষা অধিবক্তাৰ (Legal Aid Defence Council) নিযুক্তি দি নিঃশুল্ক আইনীসেৱা অধিক প্ৰভাবী কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে। বিজ্ঞ অধিবক্তা সকলৰ নিযুক্তি প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰা হৈছে।

নাবালক অপৰাধী সম্পৰ্কীয় গোচৰৰ বাবে কিশোৰ ন্যায় পৰিষদ (Juvenile Justice Board)ৰ অন্তৰ্গত মুখ্য দণ্ডাধীশ (Principal Magistrate) হিচাবে নগাঁও সদৰৰ মহকুমা ন্যায়িক দণ্ডাধীশে কাম চলাই আছে।

ভাৰতীয় নাগৰিকে বিচৰা আমাৰ আদালতৰ তথ্যৰ যোগান ক্ষেত্ৰত “তথ্য জনা অধিকাৰ আইন ২০০৫” (Right to Information Act, 2005) আৰু মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ Gauhati High Court (Right to Information) Rules, 2008 অনুসৰি প্ৰদান কৰি থকা হৈছে। ইয়াৰ বাবে ন্যায়িক বিষয়া ক্ৰমে তথ্য যোগান ধৰা বিষয়া (Public Information Officer) হিচাবে দেৱানী ন্যায়াধীশ অথবা মুখ্য ন্যায়িক দণ্ডাধীশ দুজনৰ ভিতৰত যিজনেই কৰ্মসূত্ৰে জ্যেষ্ঠ আৰু সহকাৰী (Assistant Public Information Officer) মুন্সিফ পৰ্যায়ৰ ন্যায়িক বিষয়া এজন দায়িত্বত আছে।

লগতে কাৰ্যালয় সহায় এজনক উপৰোক্ত বিষয়া সকলক সহায় কৰিবলৈ দায়িত্ব দিয়া হৈছে।

উল্লেখ্য যে, ১৯৬৭ চনৰ পৰৱৰ্তী পৰ্যায়ত নগাঁও সদৰৰ ন্যায়িক আদালত সমূহৰ কেইখন মান অসম আৰ্হিৰ ভৱন (১৯৫২ চনতে নিৰ্মিত)ত আৰু কেইখন মান আদালত নগাঁৱৰ উপায়ুক্তৰ কাৰ্যালয়ৰ একাংশত সংযোগ হৈ আছিল। বৰ্তমান নৱনিৰ্মিত চাৰিমহলীয়া ভৱনটিত ০৫/০৫/২০১১ (এই ভৱনৰ শুভ উদ্বোধন কৰিছিল গুৱাহাটী উচ্চ ন্যায়ালয়ৰ তদানীন্তন মুখ্য ন্যায়াধীশ মদন বি. লুকুৰ মহোদয়ে) উদ্বোধনৰ তাৰিখৰ পৰাই মুঠ ১৩খন আদালতৰ কাৰ্য সম্পাদন হৈ আছে আৰু তিনিখন আদালত অসম আৰ্হিৰ ভৱনতে আজিও পূৰ্বৰ দৰে কাম-কাজ চলি আছে। কলিয়াবৰত মহকুমা ন্যায়িক দণ্ডাধীশ আৰু মুন্সিফৰ আদালতৰ কাম হাতীগাঁওস্থিত আদালতৰ নিজ মাটিৰ দুই মহলীয়া গৃহত কাম-কাজ চলাই আছে। বৰ্তমানৰ আদালত ভৱনটি শুভ উদ্বোধন কৰিছিল গুৱাহাটী উচ্চ ন্যায়ালয়ৰ তদানীন্তন মাননীয় মুখ্য ন্যায়াধীশ এ.চি. জৈন মহোদয়ে।

দেখা গ’ল যে এটা সময়ত মৰিগাঁও, কাৰ্বি আংলং, হোজাই, পশ্চিম কাৰ্বি আংলং লৈ বৃহত্তৰ অঞ্চলৰ ন্যায় বিচাৰৰ ক্ষেত্ৰত নগাঁও আদালতৰ দ্বাৰা প্ৰত্যক্ষ বা পৰোক্ষভাৱে ৰেখ-দেখ কৰা হৈছিল অথবা নগাঁৱৰ লগত জড়িত আছিল। হোজাই জিলা পৃথক হোৱাৰ পিছত বৰ্তমান নগাঁও জিলাত সৰ্বমুঠ ১৯জন ন্যায়িক বিষয়া (তাৰে এজন জিলা আইন সেৱা প্ৰাধিকাৰীৰ সচিব), ২৩৯ কৰ্মচাৰী (জিলা ন্যায়াধীশ, মুখ্য ন্যায়িক দণ্ডাধীশ, মটৰ দুৰ্ঘটনা দাবী

নিষ্পত্তি ন্যায়াধীকৰণ সহিতে) আছে। তাৰে ৪৩ টা পদ খালী হৈ আছে। নবেম্বৰ, ২০২২ ৰ শেষত সৰ্বমুঠ লম্বিত গোচৰৰ সংখ্যা ৩০৮৭৯ (তাৰে দেৱানী ৩৯১৯ আৰু ফৌজদাৰী ২৬৯৬০।) মটৰ দুৰ্ঘটনাজনিত গোচৰৰ সংখ্যা ১১৬০টা)

আদালত ভৱনৰ আন্তঃগাঠনি সম্পৰ্কীয় বিষয়বোৰ সংশ্লিষ্ট পক্ষৰ লগত যোগাযোগ কৰা, মাননীয় উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সকলৰ নগাঁও জিলা এলেকাৰ লগত জড়িত ভ্ৰমণ, নগাঁও আদালতৰ সভা সমিতি আদি কামৰ বাবে আদালত প্ৰৱন্ধক (Court Manager) এজন নিযুক্তি দিয়া হৈছে।

মহামহিম উচ্চতম ন্যায়ালয়ৰ উদ্যোগত আৰু মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ব্যৱস্থাপনাত ই-আদালত আঁচনিৰ (e-Court Project) অধীনত আমাৰ নগাঁও আদালততো গোচৰ সমূহৰ তথ্যসমূহ ইতিমধ্যে অনলাইনত (online) গোচৰ সূচনা ব্যৱস্থা (Case Information System)ৰ যোগে পাব পৰা হৈছে। এই বছৰতে ই-সেৱা কেন্দ্ৰ (e-Service Centre) আদালত চৌহদত স্থাপন কৰি গোচৰ সম্পৰ্কীয় তথ্য সমূহ যোগান ধৰাৰ ব্যৱস্থা অধিক সুচল কৰা হৈছে। ইয়াৰ বাবে দুজন প্ৰণালী সহায়ক (System Assistant)সহ এজন প্ৰণালী বিষয়া (System Officer)ই এইখিনি চোৱা চিতা কৰি আছে।

**<u>নগাঁৱৰ ন্যায়িক আদালতৰ হিতধাৰক সকল ঃ</u>** নগাঁও জিলাৰ ন্যায়িক আদালতৰ অন্যতম হিতধাৰক (Stake holders) সন্থাৰ ভিতৰত বিজ্ঞ উকীল সকলৰ তিনিটা সন্থা (নগাঁও উকীল সন্থা, উকীল সকলৰ সন্থা / Advocates' Association আৰু কলিয়াবৰ উকীল সন্থা) তৰণী সঙঘ)ৰ সদস্য সকলে আদালত আৰু আদালতৰ কাৰ্যালয়ৰ কাম-কাজত অহৰহ সহায়-সহযোগিতা আগবঢ়ায় আহিছে। অভিযুক্ত পৰিদৰ্শক (Prosecuting Inspector) কাৰ্যালয়ৰ কৰ্মচাৰী তথা কনিষ্ঠবল সকলে আদালতৰ ফৌজদাৰী গোচৰৰ যোগাযোগ আৰু চমন আদি জাৰি কৰাৰ ক্ষেত্ৰত এক লেখত ল'বলগীয়া ভূমিকা লৈছে। আন্তঃগাঠনিৰ ক্ষেত্ৰত নগাঁৱৰ গড়কাপ্তানী বিভাগে নিজৰ স্তৰত আমাৰ আদালতক সেৱা আগবঢ়াই আহিছে। নগাঁও পৌৰসভাই আদালত চৌহদ পৰিষ্কাৰ-পৰিচন্নতা ৰখাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াই আহিছে। বিশেষকৈ "কভিদ-১৯" ভাইৰাচৰ সংক্ৰমণৰ ভয়াবহতাৰ সময়ত আদালত ভৱন সমূহ চেনিটাইজেছন কৰি উল্লেখযোগ্য নিদৰ্শন ৰাখিছে নগাঁও পৌৰসভাই।

ইয়াৰ উপৰিও আদালত-কাৰ্যালয়ৰ দৈনন্দিন কাম-কাজ চলাবৰ বাবে প্ৰয়োজনীয় বস্তু, আচ-বাব আদি যোগান ধৰোতা, আমাৰ আদালতৰ চৌহদত থকা সমবায় কেন্টিন আদি প্ৰতিষ্ঠান সমূহেও হিতধাৰক হিচাবে কাম কৰি আছে।

নগাঁও আদালতত কাম কৰা নিম্ন লিখিত ন্যায়িক বিষয়াসকলৰ কৃতকাৰ্যতা তথা পদোন্নতিয়ে আমাক গৌৰৱান্বিত কৰে ঃ-

১। শ্ৰীযুত এচ.এন. ফুকন - তেওঁ নগাঁও ন্যায়িক আদালতত মুন্সিফ পদত নিযুক্তি হৈ ক্ৰমে - গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ আৰু পিছলৈ মহামহিম উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল।

২। শ্ৰীযুত এচ. হক - তেওঁ নগাঁৱৰ জিলা আৰু সত্ৰ ন্যায়াধীশ হিচাপে ২৩/০৮/১৯৭১ ৰ পৰা ১১/০৪/১৯৭৩ লৈ কাম কৰি পিছলৈ মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল।

৩। শ্ৰীযুত এছ. পি. ৰাজখোৱা - তেওঁ নগাঁৱৰ জিলা আৰু সত্ৰ ন্যায়াধীশ হিচাপে ০১/০৪/১৯৭৬ ৰ পৰা ০৪/০৪/১৯৭৭ লৈ কাম কৰি পিছলৈ মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল।

৪। শ্ৰীযুত পি. কে. দেৱ - তেওঁ নগাঁৱৰ জিলা আৰু সত্ৰ ন্যায়াধীশ হিচাপে ১১/০৭/১৯৭৭ ৰ পৰা ১৫/০৯/১৯৮০ লৈ কাম কৰি পিছলৈ মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল।

৫। শ্ৰীযুত ডি. বিশ্বাস - তেওঁ নগাঁৱৰ জিলা আৰু সত্ৰ ন্যায়াধীশ হিচাপে ২১/০৪/১৯৮৯ ৰ পৰা ২৪/০১/১৯৯১ লৈ কাম কৰি পিছলৈ মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল।

৬। শ্ৰীযুত পি.জি. আগৰৱাল - তেওঁ নগাঁৱৰ জিলা আৰু সত্ৰ ন্যায়াধীশ হিচাপে ১০/০৩/১৯৯৩ ৰ পৰা ১০/০৫/১৯৯৪ লৈ কাম কৰি পিছলৈ মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল।

৭। শ্ৰীযুত আই. এ. আনচাৰি - তেওঁ নগাঁৱৰ জিলা আৰু সত্ৰ ন্যায়াধীশ হিচাপে ০১/০৫/১৯৯৬ ৰ পৰা ২৯/০৫/১৯৯৯ লৈ কাম কৰি ক্ৰমে মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ আৰু পাটনা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল। বৰ্তমান ন্যায়াধীশ পদৰ পৰা অৱসৰ লৈ তেওঁ পঞ্জাৱ চৰকাৰৰ মানৱ অধিকাৰ আয়োগৰ অধ্যক্ষ পদ অলঙ্কৃত কৰিছে।

৮। শ্ৰীযুত এচ.কে. কৰ - তেওঁ নগাঁৱৰ জিলা আৰু সত্ৰ ন্যায়াধীশ হিচাপে ০৮/০৯/১৯৯৯ ৰ পৰা ০১/০৩/২০০২ লৈ কাম কৰি পিছলৈ মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল।

৯। শ্ৰীযুত এইচ. বৰুৱা - তেওঁ নগাঁৱৰ মুখ্য ন্যায়িক দণ্ডাধীশ, অতিৰিক্ত জিলা ন্যায়াধীশ আৰু জিলা ন্যায়াধীশ হিচাপে (২৪/০১/২০০৫ ৰ পৰা ০৬/১১/২০০৫ জিলা ন্যায়াধীশ হিচাবে) কাম কৰি পিছলৈ মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল।

১০। শ্ৰীযুত এ.চি. উপাধ্যায় - তেওঁ নগাঁৱৰ মুখ্য ন্যায়িক দণ্ডাধীশ আৰু জিলা সত্ৰ ন্যায়াধীশ হিচাপে (১৪/০৪/২০০৫ ৰ পৰা ২১/০২/২০০৭ জিলা ন্যায়াধীশ হিচাবে) কাম কৰি পিছলৈ মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল।

১১। শ্ৰীযুত পি.কে.ফুকন - তেওঁ নগাঁৱৰ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ (তদৰ্থ) আৰু (০৭/১১/২০০৭ ৰ পৰা ০১/০২/২০১২ লৈকে জিলা ন্যায়াধীশ হিচাবে) কাম কৰি পিছলৈ মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল।

১২। শ্ৰীমতী আই. সাহ - তেওঁ নগাঁৱৰ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ হিচাবে কাম কৰি পিছলৈ মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল।

১৩। শ্ৰীযুত পি.কে.শইকীয়া - তেওঁ নগাঁৱৰ অতিৰিক্ত মুখ্য ন্যায়িক দণ্ডাধীশ হিচাবে কাম কৰি পিছলৈ মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল।

১৪। শ্ৰীযুত এ.বৰঠাকুৰ - তেওঁ নগাঁৱৰ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ (দ্ৰুত গতিৰ আদালত) হিচাবে কাম কৰি পিছলৈ মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল।

১৫। শ্ৰীযুত পি.জে.শইকীয়া - তেওঁ নগাঁৱৰ কলিয়াবৰ মহকুমা ন্যায়িক দণ্ডাধীশ হিচাবে কাম কৰি পিছলৈ মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল।

১৬। শ্ৰীমতী এচ.পি. খাউণ্ড - তেওঁ নগাঁৱৰ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ (তদৰ্থ) আৰু মটৰ দুৰ্ঘটনা দাবী নিষ্পত্তি ন্যায়াধীকৰণৰ অধিষ্ঠাতা বিষয়া হিচাবে ২৯/০৮/২০১২ ৰ পৰা ১১/০১/২০১৩ লৈকে কাম কৰি পিছলৈ মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল।

১৭। শ্ৰীমতী এম. ঠাকুৰীয়া - তেওঁ নগাঁৱৰ দেৱানী ন্যায়াধীশ তথা সহকাৰী সত্ৰ ন্যায়াধীশ হিচাবে কাম কৰি পিছলৈ মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল।

নগাঁও আদালত কাম কৰা কৰ্মচাৰীসকলৰ কৃতকাৰ্যতা তথা পদোন্নতিয়ে আমাক গৌৰান্বিত আৰু উৎসাহিত কৰে -

১। স্বৰ্গীয় শঙ্কৰ কাকতি বৰা - তেওঁ নগাঁৱৰ দেৱানী ন্যায়াধীশ তথা সহকাৰী সত্ৰ ন্যায়াধীশৰ আশুলিপিকাৰ (Stenographer) হিচাবে কাম কৰি পিছলৈ অসম প্ৰশাসনিক সেৱাত যোগদান কৰি সচিব পৰ্যায়ৰ পদলৈ পদোন্নতি হৈছিল।

২। শ্ৰীযুত বিৰেন ফুকন - তেওঁ নগাঁৱৰ জিলা আৰু সত্ৰ ন্যায়াধীশ কাৰ্যালয়ত নিম্ন বৰ্গৰ সহায়ক পদত কাম কৰি পিছলৈ অসম প্ৰশাসনিক সেৱাত যোগদান কৰি ভাৰতীয় প্ৰশাসনিক সেৱাৰ মৰ্যদা (Nominated IAS) পাই আয়ুক্ত সচিব পদলৈ পদোন্নতি হয়।

৩। শ্ৰীযুত ইন্দ্ৰমোহন বৰুৱা - নগাঁও জিলা আদালতত নিম্ন বৰ্গৰ সহায়ক পদত নিযুক্তি লাভ কৰি বদলি সূত্ৰে মৰিগাঁও জিলা আদালতলৈ গৈ পদোন্নতি লাভ কৰি নিজ কৰ্মদক্ষতা, নিপুণতা আৰু সততাৰ বলত জিলা আৰু সত্ৰ ন্যায়াধীশ কাৰ্যালয়ৰ চিৰস্তাদাৰ (আজিকালি মুখ্য প্ৰশাসনিক বিষয়া) পদত পদোন্নতি পাই অৱসৰ গ্ৰহণ কৰে। তেওঁ সাংগঠনিক দিশত প্ৰভাৱশালী ব্যক্তি আছিল বাবে সদৌ অসম ন্যায়িক কৰ্মচাৰী সন্থাৰ মুখ্য সম্পাদক হিচাপে ১০ (দহ) বছৰ আৰু সভাপতি হিচাপে দুটা কাৰ্যকাল (৪ বছৰ) অতিবাহিত কৰিলে।

৪। স্বৰ্গীয় মোহোৰাম ডেকা - তেওঁ নগাঁৱৰ জিলা ও সত্ৰ ন্যায়াধীশ কাৰ্যালয়ত পিয়ন পদত নিযুক্তি পাই পিছলৈ নিজ কৰ্মদক্ষতা, নিপুণতা আৰু সততাৰ বলত চিৰস্তাদাৰ (আজিকালি মুখ্য প্ৰশাসনিক বিষয়া) পদত পদোন্নতি পাই অৱসৰ গ্ৰহণ কৰে।

৫। শ্ৰীযুত পল্লৱজ্যোতি নাথ - তেওঁ নগাঁৱৰ মুখ্য ন্যায়িক দণ্ডাধীশ কাৰ্যালয়ত নিম্নবৰ্গৰ সহায়ক পদত নিযুক্তি পাই পিছলৈ অসম প্ৰশাসনিক সেৱাত যোগদান কৰে।

৬। শ্ৰীযুত জুলকাৰনেইন আহমেদ - তেওঁ বৰ্তমান নিম্নবৰ্গৰ সহায়ক হিচাপে কৰ্মৰত। তেখেতে ইতিমধ্যে গৱেষণা সম্পন্ন কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰিছে।

**অভাৱ অভিযোগ ঃ**

এক দশক পূৰ্বতকৈ বৰ্তমান আন্তঃগাঠনি যথেষ্ট উন্নত হৈছে যদিও কেইখনমান আদালত, কেইগৰাকীমান

ন্যায়িক বিষয়া সকলৰ কক্ষৰ পৰিসৰ ঠেক, বিষয়াসকলৰ বাবে প্ৰয়োজনীয় বাসভৱন কম আৰু থকা খিনিও পুৰণি হৈছে, (এই প্ৰসঙ্গতে উনুকিয়াইছো- কৰ্মচাৰী সকলৰ বাবে বাসভৱনৰ ব্যৱস্থা এতিয়াও হৈ উঠা নাই), কৰ্মচাৰী সকলৰ বাবে কৰ্মস্থলী সংকোচিত হৈছে (যিহেতু লম্বিত গোচৰৰ বৃদ্ধি হোৱাৰ বাবে আদালত আৰু কাৰ্যালয় সমূহত আচবাব বঢ়াবলগীয়া হৈছে)। আদালতৰ ভৱনৰ ভিতৰ চ'ৰাত বিজ্ঞ অধিবক্তা আৰু পদকীয়, সাক্ষী আদি ন্যায় সেৱাৰ অপৰিহাৰ্য পক্ষৰ বাবে উপযুক্ত ভাৱে ঠাইৰ অভাৱ বা ঠেক হৈছে। নথি সংৰক্ষণ কক্ষ (Record Room)ত নিষ্পত্তি হোৱা গোচৰ সমূহ সংৰক্ষণ কৰি ৰখাৰ বাবে দিনক দিনে ঠাইৰ অভাৱ হৈছে। পুলিচ-প্ৰশাসনে জব্দ কৰি অনা বস্তুবোৰ মালখানাৰ ভিতৰত দিনক দিনে ঠাইৰ অভাৱত বিশৃংখল হৈ এক অবৰ্ণীয় বিশৃংখল ৰূপ লৈছে। অতি শীঘ্ৰে এইবোৰৰ সংৰক্ষণৰ বাবে উপযুক্ত ভৱন নিৰ্মাণ কৰি বিজ্ঞান সন্মতভাবে ৰখাৰ ব্যৱস্থা কৰিব লাগে। এই প্ৰসঙ্গতে নগাঁৱৰ জিলা প্ৰশাসনৰ অধীনত থকা মহাফেজ খানাৰ পয়ালগা অৱস্থা উনুকিয়াইছো। ইয়াত থকা নথি-পত্ৰবোৰৰ বিজ্ঞানসন্মত ভাবে সংৰক্ষণ কৰিবৰ বাবে অতি শীঘ্ৰে সংশ্লিষ্ট কৰ্তৃপক্ষই ব্যৱস্থা হাতত নল'লে আমাৰ বহুত আপুৰুগীয়া তথ্য ধ্বংস হ'ব।

বৰ্তমান আদালত ভৱনত থকা কেন্দ্ৰীয় পুথিভঁৰাল (Central Library)ত প্ৰয়োজনীয় কৰ্মচাৰীসহ পুথিভঁৰালীৰ নিযুক্তি, গ্ৰন্থৰ সংখ্যা বৃদ্ধি কৰি কিতাপখিনি বিজ্ঞান সন্মত ভাবে ৰখা ব্যৱস্থা কৰিব লাগে।

**উপসংহাৰ ঃ**

দেখা গ'ল যে, নগাঁও জিলা আদালতে এটা সময়ত মৰিগাঁও, কাৰ্বি আংলং, হোজাই পশ্চিম কাৰ্বি আংলংৰ বৃহত্ত অঞ্চলত ন্যায়িক সেৱা প্ৰদান কৰাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা অৱলম্বন কৰিছে।

শেহতীয়াকৈ হোজাই জিলাও পৃথক হোৱা (দিনাংক ০৬/০৩/২০২১ ৰ পৰা)ৰ পিছতো (যিহেতু আগৰ তুলনাত নগাঁৱৰ ভৌগলিক আয়তন যথেষ্ট কমি গৈছে) যথেষ্ট সংখ্যক গোচৰ লম্বিত হৈ আছে। ইয়াৰ কাৰণবোৰৰ ভিতৰত জনসংখ্যা বৃদ্ধি, কাজেই গোচৰৰ সংখ্যা বৃদ্ধি, আৰু সেই অনুপাতে পুলিচ প্ৰশাসনৰ ব্যৱস্থাৰ (Prosecution and Execution) কলেৱৰ বঢ়া নাই অথবা মান উন্নত হোৱা নাই, প্ৰয়োজনীয় সংখ্যক আদালত স্থাপন আৰু ন্যায়িক বিষয়া-কৰ্মচাৰী নিযুক্তি হোৱা নাই আৰু দীৰ্ঘ দিন আদালত সমূহৰ ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ পদ ৰিক্ত হৈ থকা ইত্যাদি ইত্যাদি কাৰণ হ'ব পাৰে। গতিকে, জিলা ন্যায়পালিকা, জিলা প্ৰশাসন, পুলিচ প্ৰশাসনৰ অসম চৰকাৰ, মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয় আদি কৰি সংশ্লিষ্ট সকলো পক্ষ আৰু উকীল সন্থা, তৰণী সন্থা আদি কৰি সকলো হিতধাৰক সকল একলগ হৈ কাৰণবোৰ ফঁহিয়াই চাই লম্বিত গোচৰ সমূহ খৰতকীয়াকৈ নিষ্পত্তি কৰা আৰু উপৰোক্ত অভাৱ-অভিযোগবোৰৰ সমিলমিলেৰে নিৰাময়ৰ উপায় উলিয়াই সমাধান কৰি জনসাধাৰণক উন্নত ন্যায়িক সেৱাৰ প্ৰদান কৰিব লাগে।

প্ৰকৃততে এখন জিলাৰ (বিশেষকৈ নগাঁৱৰ দৰে পুৰণি জিলা) ন্যায়িক সেৱাৰ বিষয়ে বিতংকৈ লিখিবলৈ হ'লে এখন গ্ৰন্থৰ ৰূপ ল'ব। তাৰ বাবে লাগে গৱেষণাৰ স্তৰত তথ্য সংগ্ৰহ, সংশ্লিষ্ট সকলো পক্ষ, হিতধাৰক পক্ষ, অৱসৰপ্ৰাপ্ত/জ্যেষ্ঠ কৰ্মচাৰী সকলৰ অভিজ্ঞতা আৰু স্মৃতি আহৰণ, কাৰ্যালয়ৰ পুৰণি টোকা আৰু চিঠিৰ আদান-প্ৰদান সংগ্ৰহ অধ্যয়ন আৰু অনুসন্ধিতসু মনৰ সমূহ। চেষ্টাৰ অসাধ্য একো নাই - চেষ্টা কৰিবৰ বাবে আমি লগ হওঁচোন।

*১। স্মৃতিগ্ৰন্থ ঃ- সদৌ অসম ন্যায়িক কৰ্মচাৰী সন্থাৰ ২০০৮ চনত নগাঁৱত অনুষ্ঠিত ষষ্ঠদশ সাধাৰণ সভাৰ স্মাৰক গ্ৰন্থত প্ৰকাশিত অধিবক্তা নিতুল ৰাজবংশী ডাঙৰীয়াৰ "নগাঁও জিলাৰ ন্যায়িক ব্যৱস্থাঃ এক অতীত অৱলোকন" আৰু ৰাম চন্দ্ৰ শইকীয়া অৱসৰপ্ৰাপ্ত চিৰস্তাদাৰ ডাঙৰীয়াৰ "নগাঁৱৰ ন্যায়পালিকা" নামৰ লেখদুটাৰ আলম লৈ প্ৰস্তুত কৰা হৈছে।*

২। Google : Former Hon'ble Judges of Gauhati High Court.

৩। Google : Former Justices of Supreme Court India.

*(উপৰোক্ত লিখনিত কিবা ভুল-ত্ৰুটি থাকিলে অথবা তথ্য দিবলৈ বাকী থাকিলে ক্ষমা বিচাৰিছো ।)*

**মদন উপাধ্যায়**
মুখ্য প্ৰশাসনিক বিষয়া,
জিলা আৰু সত্ৰ ন্যায়াধীশৰ কাৰ্যালয়, নগাঁও (অসম)
দূৰভাষ ঃ ৯১০১২৩৮০৪৩